# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)

১১, অশোক ৰোড, নতুন দিল্লী-১১০০০১

ফোনঃ ০১১-২৩০৭০৫৭৭০, ফেক্সঃ ০১১-২৩০০৫৭৮৭


## বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি শ্ৰী ৰাজনাথ সিঙে ১১ মে’ ২০১৩ তাৰিখে নতুন দিল্লীত দিয়া বিবৃত্তি

### চূড়ান্ত দুৰ্নীতি আৰু ইয়াক গাপ দিয়াৰ প্ৰয়াস

ইউ পি এ চৰকাৰ বৃহত দুৰ্নীতিৰ বাবে জনাজাত হৈ পৰিছে। ৫৫০ ট্ৰিলিয়ন টকাতকৈও অধিক পৰিমাণৰ দুৰ্নীতিৰে এইখন হ’ল স্বাধীন ভাৰতৰ সকলোতকৈ দুৰ্নীতিপৰায়ণ চৰকাৰ। শাসনাধিস্থিত চৰকাৰৰ অবাধ দুৰ্নীতিয়ে আমাৰ দেশৰ শাসন ব্যৱস্থাৰ প্ৰতি এক ভাবুকি কঢ়িয়াই আনিছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে, ইউ পি এ চৰকাৰে দুৰ্নীতিত অভিযুক্ত লোকক শেষ পৰ্যন্ত নিৰাপত্তা দিয়াৰ এক পদ্ধতি গঢ়ি তুলিছে আৰু কোনো বিকল্প নথকা ক্ষেত্ৰতহে কিছু ব্যৱস্থা গ্ৰহণ কৰিছে।

**কালি নিশা দুগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে দুৰ্নীতি আৰু অনুচিত কাৰ্যৰ অভিযোগৰ সন্মুখীন হৈ পদত্যাগ কৰে। কিন্তু প্ৰধানমন্ত্ৰীয়ে এইক্ষেত্ৰত কোনো পলম নকৰাকৈ এই অভিযুক্ত মন্ত্ৰীকেইগৰাকীক বৰ্খাস্ত কৰিছিল নে যাৰদ্বাৰা চৰকাৰে সংসদৰ বাজেট অধিৱেশন সুচাৰুৰূপে চলাব পাৰিলেহেঁতেন। ‘খাদ্য সুৰক্ষা বিধেয়ক’, ‘ভূমি অধিগ্ৰহণ বিধেয়ক’কে ধৰি বহু কেইখন গুৰুত্বপূৰ্ণ বিধেয়ক আলোচনা তথা সংসদত অনুমোদন লাভ কৰাৰ বাবে তালিকাভুক্ত আছিল যদিও নিজৰ স্থিতিত অটল হৈ থকা ইউ পি এই সেই সুযোগ হেৰুৱাৰ পথ বাছি ল’লে।**

ৰে’লমন্ত্ৰীক যি দৰে প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙে ৰক্ষণা-বেক্ষণ দিলে সেই বিষয়টো লৈ জনসাধাৰণে বহুতো প্ৰশ্নৰ অৱতাৰণা কৰিছে। ৰে’লমন্ত্ৰীয়ে দায়িত্ব এৰিব লাগিব বুলি জানিও প্ৰধানমন্ত্ৰীয়ে তেওঁক কিয় ৰক্ষণা-বেক্ষণ দিছিল? **প্ৰায় ১৭ বছৰৰ মূৰত কংগ্ৰেছ দলে ৰে’ল মন্ত্ৰালয় লাভ কৰিছিল আৰু ইয়াৰ পিচতে আমি শুনিবলৈ পোৱা প্ৰথম বিষয়টো হ’ল ৰে’ল ভাড়া ব্যাপক হাৰত বৃদ্ধি কৰা আৰু মন্ত্ৰালয়ৰ গুৰুত্বপূৰ্ণ বিষয়াক নিযুক্তিৰ ক্ষেত্ৰত হোৱা ব্যাপক দুৰ্নীতি।**

### সমগ্ৰ পদ্ধতিটোৱেই বৰ্তমান ভাবুকিৰ সন্মুখীন হৈছে

চিবিআই-ক চৰকাৰৰ ‘সজাত বন্দী ভাটৌ’ বুলি উচ্চতম ন্যায়ালয়ে আগবঢ়োৱা মন্তব্যৰ সন্দৰ্ভত বিজেপিয়ে জনসাধাৰণৰ ধ্যান আকৰ্ষণ কৰিব বিচাৰিছে। কয়লাক্ষেত্ৰ আৱন্টন কেলেংকাৰীৰ সন্দৰ্ভত নিজৰ প্ৰতিবেদন পোনপটীয়াকৈ আদালতত দাখিল কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়াৰ পিচতো চিবিআইক ইয়াৰ তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন আইন মন্ত্ৰী, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু অন্যান্য বিষয়াৰ সৈতে আদান প্ৰদান কৰিবলৈ বাধ্য কৰোৱা হৈছিল। অশ্বিনী কুমাৰ আৰু প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ বিষয়াই

চিবিআইক নিজৰ তদন্তৰ অগ্ৰগতিৰ প্ৰতিবেদন দাখিল কৰাৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিছিল। ইউ পি এ চৰকাৰে ন্যায়িক প্ৰক্ৰিয়াটোত হস্তক্ষেপ কৰাৰ ই এক অতি গুৰুতৰ প্ৰচেষ্টা। ই লগতে সমগ্ৰ পদ্ধতিটোৰ সততা আৰু দায়বদ্ধতাৰ ওপৰতো বহু প্ৰশ্নৰ সূচনা কৰে। **আমি পাহৰিব নালাগে যে- ন্যায়িক প্ৰক্ৰিয়াৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ বাবে চৰকাৰৰ প্ৰতিশ্ৰুতি আমাৰ গণতান্ত্ৰিক পদ্ধতিৰ সকলোতকৈ গুৰুত্বপূৰ্ণ অংগ।**

উচ্চতম ন্যায়ালয়ৰ মন্তব্যৰ পিচত কেৱল আইনমন্ত্ৰীয়ে সন্দেহৰ আওতালৈ অহা নাই বৰং প্ৰধানমন্ত্ৰীৰ স্থানো সমৰ্থন কৰিব নোৱৰা হৈ পৰিছে। আইন মন্ত্ৰী আৰু অন্যান্য বিষয়াসকলে প্ৰতিবেদনৰ 'মূল বিষয়বস্তু'কে সলনি কৰিছে যি সেই সময়ৰ সৈতে জড়িত যি সময়ত প্ৰধানমন্ত্ৰী নিজেই কয়লা মন্ত্ৰালয়ৰ দায়িত্বত আছিল। চিবিআইৰ প্ৰতিবেদনত হস্তক্ষেপ কৰা বাবে যদি শ্ৰী অশ্বিনী কুমাৰ যাব লগা হয় তেন্তে একেটা কাৰণত প্ৰধানমন্ত্ৰী কাৰ্যালয়ক কিয় জগৰীয়া কৰা নহ'ব?

২ জি কেলেংকাৰীয়েই হওঁক বা 'কয়লাক্ষেত্ৰ আবণ্টন' দীৰ্ঘকালৰ বাবে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ ভূমিকা সন্দেহৰ আৱৰ্তত আছে। প্ৰতিবেদনৰ 'মূল বিষয়বস্তু' সলনি কৰি চৰকাৰে প্ৰধানমন্ত্ৰীক পৃথক কৰাৰ এক ব্যৰ্থ প্ৰয়াস চলালে যদিও শ্ৰী অশ্বিনী কুমাৰৰ পদত্যাগৰ পিচত সমগ্ৰ চৰকাৰখনৰেই ছবি পোহৰলৈ আহিল।

**বিজেপিৰ ধাৰণা প্ৰধানমন্ত্ৰীৰ পৰা ধ্যান আঁতৰোৱাৰ বাবে শ্ৰী অশ্বিনী কুমাৰ আৰু শ্ৰী পবন কুমাৰ বানছালক বলিৰ পাঠা সজোৱা হৈছে।**

**চিবিআইৰ কয়লাক্ষেত্ৰ আবণ্টন কেলেংকাৰীৰ প্ৰতিবেদন প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ বিষয়াৰ উপস্থিতিত আইন মন্ত্ৰীয়ে কিয় সলনি কৰিছিল?**

**এয়া প্ৰধানমন্ত্ৰী নিজেই কয়লা মন্ত্ৰালয়ৰ দায়িত্বত থকাৰ সময়ত হোৱা কয়লাক্ষেত্ৰ আবণ্টনৰ সবিশেষ গাপ দিয়াৰ বাবে চলোৱা এক প্ৰচেষ্টা নহয়নে?**

**২ জি স্পেক্ট্ৰাম আবণ্টন কেলেংকাৰীৰ তদন্ত কৰা যৌথ সংসদীয় কমিটীৰ আগত শ্ৰী এ ৰাজাক হাজিৰ হ'বলৈ দিয়া নহ'ল কিয়?**

**প্ৰধানমন্ত্ৰীয়ে যৌথ সংসদীয় কমিটীৰ সন্মুখত হাজিৰ হ'বলৈ আগ্ৰহ নেদেখুৱালে কিয় য'ত তেওঁ পি এ চিৰ সন্মুখত হাজিৰ হ'বলৈ নিজেই আগ্ৰহ ব্যক্ত কৰিছিল?**

**এই প্ৰশ্নসমূহৰ কোনো গ্ৰহণযোগ্য উত্তৰ নাই।**

কংগ্ৰেছ চৰকাৰ দুৰ্নীতিৰ অভিযোগৰ সন্মুখীন হোৱা এয়াই প্ৰথম ঘটনা নহয়। পূৰ্বতেও প্ৰয়াত ৰাজীৱ গান্ধী আৰু প্ৰয়াত পি ভি নৰসিংহ ৰাওৰ চৰকাৰৰ সময়তো কংগ্ৰেছ চৰকাৰ দুৰ্নীতিৰ অভিযোগৰ সন্মুখীন হৈছিল। কিন্তু বৰ্তমান পৰিস্থিতি সম্পূৰ্ণ পৃথক কাৰণ ৰাজ্যকে ধৰি সমগ্ৰ পদ্ধতিটোৱেই এতিয়া প্ৰশ্নৰ সন্মুখীন হৈছে। ভাৰতৰ জনসাধাৰণে সমগ্ৰ পদ্ধতিটোৰ ওপৰতে আস্থা হেৰুৱাই পেলাইছে। এক

দায়িত্বশীল বিৰোধী দল হিচাপে বিজেপিয়ে ধাৰণা কৰে যে– আমাৰ ৰাজনৈতিক পদ্ধতিটোৰ নিৰ্ভৰযোগ্যতা পুনৰ প্ৰৱৰ্তন কৰাৰ বাবে ভাৰতীয় গণতন্ত্ৰৰ সকলো ৰাজনৈতিক দলে দলীয় ৰাজনীতিৰ উৰ্ধলৈ অহা প্ৰয়োজন। **প্ৰধানমন্ত্ৰী ডঃ মনমোহন সিঙৰ প্ৰতি মোৰ এইটো পৰামৰ্শ যে– তেওঁ নিজকে আত্ম নিৰীক্ষণ কৰা উচিত আৰু সিদ্ধান্ত গ্ৰহণ কৰা প্ৰয়োজন যে সমগ্ৰ ৰাজনৈতিক ব্যৱস্থাটোৰ ওপৰত জনসাধাৰণৰ আস্থা পুনৰ বৰ্তাই ৰখাৰ বাবে তেওঁৰ তৰফৰ পৰা কি কৰা উচিত।**

**চৰকাৰে সম্পূৰ্ণ নৈতিক অধিকাৰ হেৰুৱাইছে আৰু ই কেৱল সংখ্যাৰ ওপৰত বৰ্তি আছে।**

**ইউ পি এ–ৰ সংখ্যাৰ শক্তিৰ মূল উৎস হৈছে উত্তৰ প্ৰদেশৰ দুটা দল ক্ৰমে সমাজবাদী পাৰ্টী আৰু বহুজন সমাজ পাৰ্টী।**

**সমাজবাদী পাৰ্টী আৰু বহুজন সমাজ পাৰ্টীৰ প্ৰতি মোৰ অনুৰোধ যে যদি তেওঁলোকে ৰাজনৈতিক ব্যৱস্থাটোৰ অৱনতিৰ লগতে জনসাধাৰণৰ অসন্তুষ্টিৰ প্ৰতি প্ৰকৃততে উদ্বিগ্ন তেন্তে তেওঁলোকে ইউ পি এৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰা উচিত। অন্যথা এই ধ্বংসাত্মক পৰিস্থিতিৰ বাবে তেওঁলোকো সমানে জগৰীয়া হ'ব।**

ইউ পি এ চৰকাৰৰ গ্ৰহণযোগ্যতা ইমানেই তললৈ নামিছে যে শ্ৰী অশ্বিনী কুমাৰ আৰু শ্ৰী পৱন বানছালৰ বহু পলমকৈ হোৱা বিদায়ে ইয়াক পূৰণ কৰিব নোৱাৰে।

যিহেতু চৰকাৰ আৰু ইয়াৰ সকলো ব্যৱস্থাই সংসদত তোলা বিষয়সমূহৰ ক্ষেত্ৰত নীৰৱ ভূমিকা গ্ৰহণ কৰিছে সেয়েহে **বিজেপিয়ে এতিয়া জনসাধাৰণৰ কাষলৈ যোৱাৰ সিদ্ধান্ত লৈছে। বিজেপিয়ে চলিত বৰ্ষৰ ২৭ মে'ৰ পৰা ২ জুনলৈ দেশজুৰা এক বিক্ষোভ প্ৰদৰ্শন আৰু সজাগতা অভিযান আৰম্ভ কৰিব। ইউ পি এ চৰকাৰৰ ত্ৰুটি, ব্যৱস্থা গ্ৰহণ নকৰা তথা ব্যাপক দুৰ্নীতিৰ বিষয়সমূহৰ বিৰুদ্ধে ধৰ্ণা তথা জেল ভৰো আন্দোলনেৰে বিজেপিয়ে এই বিক্ষোভ প্ৰদৰ্শন কৰিব।**

<u>ৰাষ্ট্ৰীয় সুৰক্ষালৈ ভাবুকি</u>

ইউ পি এ চৰকাৰৰ দিনত ৰাষ্ট্ৰীয় সুৰক্ষাৰ ছবিখন বিপজ্জনক হৈ পৰিছে। চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে থকা আমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহত নিয়মীয়াকৈ আগ্ৰাসন হ'বলৈ ধৰিছে। লাডাখৰ দৌলত বেগ অল্ডিৰ শেহতীয়া ঘটনা ইয়াৰ এক জ্বলন্ত উদাহৰণ। চীনৰ সেনাই আমাৰ এলেকাত নিৰ্ভয়ে শিবিৰ স্থাপন কৰিছে। ৰাজনৈতিক সদিচ্ছাৰ অভাৱত প্ৰায় তিনি সপ্তাহ ধৰি বিষয়টো অমীমাংসিত হৈ থাকে। অৱশ্যে চৰকাৰে এতিয়া দাবী কৰিছে যে আগ্ৰাসনৰ বিষয়টো চীনৰ সৈতে সমাধান কৰা হৈছে। কিন্তু সংবাদ মাধ্যমৰ বাতৰিত কোৱা হৈছে যে– গোপন বুজাবুজিৰ আধাৰত চৰকাৰে কিছুমান প্ৰতিৰক্ষা গাঁথনি (বাঙ্কাৰ) আঁতৰ কৰিবলৈ তথা চুমাৰ উপত্যকাত পহৰা শিথিল কৰিবলৈ সন্মত হৈছে। আমাৰ ৰাষ্ট্ৰীয় সুৰক্ষা তথা সাৰ্বভৌমত্বৰ বিষয়ত আমি চৰকাৰক সম্পূৰ্ণ নৈতিক সমৰ্থন আগবঢ়াব বিচাৰো। কিন্তু প্ৰকৃততে কি হৈছে সেই বিষয়ে চৰকাৰে স্পষ্ট কৰা উচিত।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী ছলমান খুৰছিদ চীন ভ্ৰমণৰ চৰকাৰী সূচীৰে এই সপ্তাহত বেইজিঙত উপস্থিত হৈছিল। উক্ত ভ্ৰমণৰ সময়ত চীনৰ আগ্ৰাসনকে ধৰি কিছুমান গুৰুত্বপূৰ্ণ বিষয় তেওঁ উত্থাপন কৰিব বুলি আশা কৰিছিলো যদিও কূটনৈতিক আলোচনাৰ সময়ত তেওঁ উক্ত বিষয়সমূহ উত্থাপনেই কৰা নাছিল বুলি জানিব পাৰি আমি অত্যন্ত নিৰাশ হৈছো।

**লাডাখত পি এল এৰ আগ্ৰাসন এক সাধাৰণ ঘটনাৰূপে চোৱা অনুচিত। আমি যদি বিস্তৃত পৰিসৰত বিবেচনা কৰো তেন্তে ইয়াৰ ছবিখন বেলেগ হ'ব। চীনে পাকিস্তানৰ গুৱাদাৰ বন্দৰৰ প্ৰশাসনিক ক্ষমতা দখল কৰা, পাক অধিকৃত কাশ্মীৰত নিজৰ সেনা মোতায়ন কৰা, এতিয়াও অৰুণাচল প্ৰদেশ নিজৰ বুলি দাবী কৰা, কেতিয়াবা কেতিয়াবা জম্মু-কাশ্মীৰৰ বাসিন্দাক ষ্টেপল ভিছা দিয়া, ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ প্ৰবাহত প্ৰভাৱ পেলোৱাৰ উদাহৰণ আছে। ইয়াক এক ব্যাপক পৰিধিৰ আঁচনিৰ অংশৰূপে চাব পাৰি। এই বিস্তৃত পৰিধিৰ পৰিকল্পনাক বুজি উঠাত তথা ভাৰতৰ কৌশলগত স্বাৰ্থক সুৰক্ষিত কৰাৰ বাবে কাৰ্যকৰী কূটনৈতিক ব্যৱস্থা গ্ৰহণ কৰাত ইউ পি এ চৰকাৰৰ বিফলতাত বিজেপিয়ে নিজৰ উদ্বিগ্নতা ব্যক্ত কৰিছে।** ই লাগে চীন অথবা পাকিস্তান অথবা নেপাল অথবা শ্ৰীলঙ্কা অথবা মালদ্বীপেই হওঁক সকলো ক্ষেত্ৰতে ভাৰতৰ কূটনৈতিক ব্যৱস্থাটো ইউ পি এ চৰকাৰৰ দিনত ক্ৰমাত হ্ৰাস পোৱা পৰিলক্ষিত হৈছে।

**এন ডি এৰ শাসনকালত ভাৰতৰ বিদেশ নীতিৰ গাঁথনি মজবুত আৰু তৎপৰ হোৱাৰ লগতে ইয়াৰ দূৰদৰ্শী ধাৰণা তথা আদৰ্শ আছিল। কিন্তু বৰ্তমানৰ ইউ পি এ চৰকাৰে উক্ত গাঁথনি সম্পূৰ্ণৰূপে ধ্বংস কৰিলে। যদিহে এই ইউ পি এ চৰকাৰে নিজৰ দুৰ্বল প্ৰতিৰক্ষা আৰু কূটনৈতিক নীতিৰে শাসনত থাকে তেন্তে মই আশংকা কৰো যে- ২০১৪ চনত আফগানিস্তানৰ পৰা নাটো বাহিনী আঁতৰ কৰাৰ পিচত ই আমাৰ ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি বৃহত ভাবুকিৰূপে দেখা দিব।**

**(ওম প্ৰকাশ কহলি)**

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত